# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
# 0000000000

**Date :** 06-10-2024
**Time :** 18-00 Hrs.

***Assamese Evening Bulletin***

::::::::::::::::::::::::::::::::::

ৰাজ্যত আজিৰ পৰা নিযুত মইনা আঁচনিৰ ধন বিতৰণ প্ৰক্ৰিয়া আৰম্ভ হৈছে। খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিযুত মইনা আঁচনিৰ শুভাৰম্ভ কৰে। নৱেম্বৰ মাহৰ পৰা ডি বি টিৰ জৰিয়তে ছাত্ৰীসকলৰ বেংক একাউণ্টত ধন সোমাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে, নিযুত মইনা আঁচনিৰ জৰিয়তে ৰাজ্য চৰকাৰে বাল্য বিবাহৰ দৰে সামাজিক ব্যাধি প্ৰতিৰোধৰ উদ্দেশ্যে পদক্ষেপ গ্ৰহণ কৰিছে। এই আঁচনিৰ জৰিয়তে পৰৱৰ্তী তিনিটা বৰ্ষত ১০ লাখ ছাত্ৰীক সামৰি লোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। চলিত বৰ্ষত এই আঁচনি ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰে ৰাজকোষৰ ২৪০ কোটি টকা ধন ব্যয় কৰিব। নিযুত মইনা আঁচনিৰ অধীনত একাদশ শ্ৰেণীত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীয়ে মাহিলি এহেজাৰ টকাকৈ ১০ মাহৰ বাবে মুঠ ১০ হাজাৰ টকা লাভ কৰিব। একেদৰে স্নাতক প্ৰথম বৰ্ষত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীক ৰাজ্য চৰকাৰে ১০ মাহৰ বাবে এহেজাৰ ২৫০ টকাকৈ প্ৰদান কৰিব। স্নাতকোত্তৰ পাঠ্যক্ৰম তথা বি. এডত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীক এই আঁচনিৰ অধীনত ১০ মাহৰ বাবে মাহিলি দুহেজাৰ ৫০০ টকাকৈ আৰ্থিক অনুদান প্ৰদান কৰা হ'ব।

আজি খানাপাৰাত মুখ্যমন্ত্ৰী ড০ শৰ্মাই নিযুত মাইনা আঁচনিৰ অধীনত চেক বিতৰণ কাৰ্যসূচী উদ্বোধন কৰাৰ সমান্তৰালভাৱে ৰাজ্যৰ বিভিন্ন জিলাসমূহতো আঁচনিখনৰ অধীনত চেক বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। ঢেকিয়াজুলিৰ ভোটপাৰা ষ্টেডিয়ামত এই উদ্দেশ্যে আয়োজিত এটা অনুষ্ঠানত মন্ত্ৰী অশোক সিংহালে অংশগ্ৰহণ কৰে। পাঠশালাত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আৰু নলবাৰীত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই এই আঁচনিৰ অধীনত আৰ্থিক অনুদানৰ চেক বিতৰণ কৰে। কলিয়াবৰত মন্ত্ৰী কেশৱ মহন্তই আঁচনিখনৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ বিপৰীতে বাক্সা জিলাৰ সদৰ মুছলপুৰত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই নিযুত মইনা আঁচনিৰ চেক বিতৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ইফালে, বাক্সা জিলাৰ শালবাৰীত চেক বিতৰণ কাৰ্যসূচীত বিটিচিৰ পৰিষদীয় সমষ্টিৰ পাৰিষদ জয় মুছাহাৰীও অংশগ্ৰহণ কৰে।

শোণিতপুৰ জিলাতো এই আঁচনিৰ জৰিয়তে ৫ হাজাৰৰো অধিক ছাত্ৰীলৈ আৰ্থিক অনুদান আগবঢ়োৱা হৈছে। মাজুলীতো প্ৰায় ১৫ হাজাৰ ছাত্ৰীলৈ নিযুত মইনা আঁচনিৰ অনুদান আগবঢ়োৱা হয়। ছাত্ৰীসকলে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে খানাপাৰাত নিযুত মইনা আঁচনিৰ শুভাৰম্ভণি অনুষ্ঠানতো অংশগ্ৰহণ কৰে। তামুলপুৰ, গোৰেশ্বৰ, গোৱালপাৰা, শিৱসাগৰ, আমগুৰি, নাজিৰা, ডিমৌ, বৰপেটা, নগাওঁ ইত্যাদি ঠাইসমূহতো আজি নিযুত মইনা আঁচনিৰ অনুদান আগবঢ়োৱা হয়।

বাইট

০০০০

শিৱসাগৰ বৰ্ডিং খেলপথাৰত ১৫ অক্টোবৰৰ পৰা ২৪ অক্টোবৰলৈ শিৱসাগৰ গ্ৰন্থ উৎসৱ অনুষ্ঠিত হ'ব। এই উপলক্ষে আজি বুৰঞ্জীবিদ আৰু কবি প্ৰেম গগৈয়ে বন্তি প্ৰজ্বলন কৰি লাইখুটা স্থাপন কৰে। গ্ৰন্থ উৎসৱত অসমৰ ভিন্ন প্ৰান্তৰ অৰ্ধশতাধিক গ্ৰন্থ বিপনীয়ে অংশগ্ৰহণ কৰাটো সুনিশ্চিত হৈছে। গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰী আৰু নৱপ্ৰজন্মৰ কাৰণে বিভিন্ন ধৰণৰ শৈক্ষিক আৰু সাহিত্য প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

০০০০

শাৰদীয় দুৰ্গা পূজালৈ মাজত দুদিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। আজি দুপৰীয়া ভাগৰে পৰা বতৰ কিছু ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ মাজত উৎসাহৰ সঞ্চাৰ হৈছে। আজি নৱৰাত্ৰিৰ চতুৰ্থ দিনা দেৱী দুৰ্গাক কুষ্মাণ্ডা ৰূপত পূজা কৰা হয়। দেৱীৰ এই ৰূপে সুস্বাস্থ্য, ইতিবাচক শক্তি আৰু প্ৰাণোচ্ছল জীৱনৰ বাবে প্ৰেৰণা দিয়ে বুলি বিশ্বাস কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নৱৰাত্ৰিৰ চতুৰ্থ দিনা দেৱী কুষ্মাণ্ডাৰ আশীষ বিচৰাৰ লগতে সকলোৰে জীৱন সুন্দৰ হোৱাৰ কামনা কৰে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰতিকূল বতৰকো নেওচি পূজাৰ প্ৰস্তুতি অব্যাহত আছে। গুৱাহাটী মহানগৰীৰ পূজা মণ্ডপসমূহ সজাই তোলাৰ বাবে আয়োজকসকল ব্যস্ত হৈ পৰিছে। বতৰে বিঘিনি ঘটোৱাৰ বাবে পূৰ্বৰ দৰে প্ৰস্তুতি চলাব পৰা নাই যদিও আজি দিনৰ ভাগত বতৰ ফৰকাল হোৱাত সকলো ব্যস্ত হৈ পৰিছে। মহানগৰীত স্বচ্ছ দুৰ্গা পূজা প্ৰতিযোগিতা সম্পৰ্কত কাইলৈ পৌৰ নিগমৰ মৃগেন শৰণীয়াই উজান বজাৰত থকা গুৱাহাটী পৌৰ নিগমৰ কাৰ্যালয়ত এখন সংবাদমেল সম্বোধন কৰিব।

ধুবুৰী জিলাৰ বিভিন্ন অঞ্চলত শাৰদীয় পূজাৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। জিলাখনৰ তামাৰহাট সাৰ্বজনীন দুৰ্গা পূজাৰ এইবাৰ ১০৬ সংখ্যক বৰ্ষৰ বাবে সুন্দৰকৈ দুৰ্গা মন্দিৰ প্ৰাঙ্গন সজাই তোলা হৈছে। পূজাৰ সৈতে সংগতি ৰাখি আয়োজক সমিতিয়ে ষষ্ঠীৰ পৰা নৱমীলৈ এলানি বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছে।

০০০০

মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি ভাৰত-পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে ৩ বজাত আৰম্ভ হোৱা খেলখনত প্ৰথমে বেট ধৰি পাকিস্তানে নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১০৫ ৰাণ কৰিবলৈ সমৰ্থ হয়। প্ৰত্যুত্তৰত ভাৰতে বাতৰি লিখাৰ পৰলৈকে ৭ অভাৰত এটা উইকেট হেৰুৱাই ৩১ ৰাণ কৰি খেলি আছে।

উল্লেখযোগ্য যে আজিৰ খেলখনত জয়লাভ কৰিব পাৰিলে হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে প্ৰতিযোগিতাৰ প্ৰথমটো পইণ্ট লাভ কৰিব।

০০০০

সমাপ্ত